**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-05-2026
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিধানসভা নিৰ্বাচনত বিজেপিৰ অভূতপূৰ্ব সাফল্যৰ বাবে ৰাজ্যবাসীক ড০ হিমন্ত বিশ্ব শৰ্মাৰ ধন্যবাদ জ্ঞাপন। বিৰোধী মিত্ৰজোঁটৰ পৰাজয়ৰ বাবে গৌৰৱ গগৈৰ নৈতিক দায়িত্ব স্বীকাৰ।

২। ৰাজ্যৰ বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডাক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি।

৩। ২৯ মে'ৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা হ'ব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ঘোষণা।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি দিল্লীত হ'বলগীয়া খেলত দেলহী কেপিটেলছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

ooooo

অসম বিধানসভা নিৰ্বাচন ২০২৬ত কালি ঘোষণা কৰা ফলাফল অনুসৰি ভাৰতীয় জনতা পাৰ্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে। দলটোৱে ৰাজ্যখনৰ মুঠ ১২৬টা সমষ্টিৰ ভিতৰত ৮২টাত জয়লাভ কৰে।

নিৰ্বাচনত বিজেপিয়ে লাভ কৰা এই অভূতপূৰ্ব সাফল্যৰ বাবে ৰাইজক ধন্যবাদ জ্ঞাপন কৰি ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলযোগে কয়, যে ৰাজ্যবাসীৰ আশীৰ্বাদত এই নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ ১০২ গৰাকী প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰি ইতিহাস ৰচনা কৰিলে। বিজেপিৰ গণসংযোগ শক্তিশালী বাবেই এই ঐতিহাসিক জয় লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি ড০ শৰ্মাই লগতে প্ৰকাশ কৰে। অনাগত ৫ বছৰত অসমবাসীৰ উন্নয়নৰ বাবে পূৰ্বৰ দৰেই কাম কৰি যাব বুলি তেওঁ মন্তব্য কৰে। অসমবাসীৰ ওচৰত দলটো ঋণী হৈ থাকিব বুলিও ড০ শৰ্মাই প্ৰকাশ কৰে। এখন বিকশিত নতুন অসম গঢ়াৰ লক্ষ্য পূৰণৰ দিশে কাম কৰি যাবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি ড০ শৰ্মাই প্ৰতিগৰাকী বিজয়ী প্ৰাৰ্থীক অভিনন্দন জ্ঞাপন কৰে। পৰৱৰ্তী ৫ বছৰত বহু প্ৰকল্প উদ্বোধন কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

**বাইট (চি এম)**

ফলাফল ঘোষণাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ চৰকাৰৰ পৰৱৰ্তী কাৰ্যকালত ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ পৰিকল্পনাৰ বিষয়ে সদৰী কৰে। ড০ শৰ্মাই কয়, যে নতুন মন্ত্ৰীসভাৰ আৰু বিধায়কসকলৰ শপতগ্ৰহণ অনুষ্ঠান সন্দৰ্ভত দলৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে সিদ্ধান্ত ল'ব।

কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ পৰাজয় সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ অধ্যক্ষ তথা সাংসদ গৌৰৱ গগৈয়ে আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰে। পৰাজয়ৰ বাবে নৈতিক দায়িত্ব স্বীকাৰ কৰি শ্ৰীগগৈয়ে অসমবাসীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, যে পৰাজিত হ'লেও দলৰ কৰ্মীসকল হাৰি যোৱা নাই। ভুলৰ পৰা শিক্ষা লৈ দলটোৰ নেতা-কৰ্মীসকল তৃণমূল পৰ্যায়লৈ গৈ কাম কৰিব বুলিও সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (গৌৰৱ গগৈ)**

০০০০০

অসম বিধানসভা নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটৰ ঐতিহাসিক জয়ৰ বাবে অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই ৰাজ্যবাসীক ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটীত আজি বিজেপিৰ সৈতে অনুষ্ঠিত যৌথ সংবাদমেলত সভাপতি বৰাই কয়, যে এই জয়ে মিত্ৰজোঁটক নতুন সাহস আৰু শক্তি প্ৰদান কৰিলে। ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত বিজেপিৰ সৈতে একেলগে কাম কৰি যাব বুলিও তেওঁ প্ৰকাশ কৰে। সভাপতি বৰাই লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেখুওৱা মাৰ্গদৰ্শনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। দলৰ কৰ্মকৰ্তাসকলকো তেওঁ ধন্যবাদ জ্ঞাপন কৰে।

**বাইট (অতুল বৰা)**

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই বিধানসভা নিৰ্বাচনত লাভ কৰা এই জয়ক ঐতিহাসিক বুলি অভিহিত কৰে। এন ডি এই লাভ কৰা এই সফলতাৰ বাবে সভাপতি শইকীয়াই অগপৰ দুগৰাকী জ্যেষ্ঠ নেতা অতুল বৰা আৰু কেশৱ মহন্তৰ বলিষ্ঠ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। শ্ৰীশইকীয়াই কয়, যে এই মিত্ৰতাই ৰাজ্যৰ উন্নয়নক প্ৰতিফলিত কৰিছে।

০০০০০

বিজেপিৰ সংসদীয় কমিটিয়ে অসমৰ বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা ৰসায়ন আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং সৈনীক কেন্দ্ৰীয় সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। দলে লগতে জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহক পশ্চিমবংগৰ বিধায়িনী গোটৰ নেতা বাচনিৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক ৰাজ্যখনত দলৰ কেন্দ্ৰীয় সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ঘিলামৰাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আবক্ষ প্ৰতিমূৰ্তি এটা আজি উন্মোচন কৰা হয়। চিন্তাবিদ ময়ূৰ বৰাই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰে। সপ্তশিখা, ঢকুৱাখনাৰ উদ্যোগত আৰু ঘিলামৰা ৰঙালী বিহু সন্মিলন তথা ঘিলামৰাবাসীৰ সহযোগত এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰা হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকৰ সংখ্যা ২০২৫-২৬ বৰ্ষত যথেষ্ট বৃদ্ধি পাইছে। কৰ্তৃপক্ষৰ তথ্য অনুসৰি যোৱা ৩১ মাৰ্চ পৰ্যন্ত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰ ১৪৭ গৰাকী পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰে ভিতৰত ৪ লাখ ৩৭ হাজাৰ ৬৭৩ গৰাকী ভাৰতীয় পৰ্যটক আৰু ৩০ হাজাৰ ৪৭৪ গৰাকী বিদেশী পৰ্যটক আছে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰিছে। পৰিষদে প্ৰকাশ কৰা সময়সূচী অনুসৰি অহা ২৯ মে'ৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ৫ জুনত এই পৰীক্ষাৰ সামৰণি পৰিব।

০০০০০

মিজোৰামক মুগা ৰেচম উৎপাদনৰ ক্ষেত্ৰত দেশৰ ভিতৰতে আগশাৰীৰ ৰাজ্য হিচাপে গঢ়ি তোলা হ'ব বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে প্ৰকাশ কৰিছে। কালি দুদিনীয়া মিজোৰাম ভ্ৰমণৰ সময়ত মন্ত্ৰীগৰাকীয়ে মিজোৰামৰ ৰেচম শিল্প প্ৰশিক্ষণ প্ৰতিষ্ঠান পৰিদৰ্শন কৰি এই বিষয়ে প্ৰকাশ কৰে। মুগা উৎপাদক আৰু শিপিনীসকলৰ সৈতে মত বিনিময় কৰি তেওঁ কয়, যে এই ক্ষেত্ৰত অধিক মনোনিৱেশ কৰাৰ বাবে তেওঁ ৰাজ্যখন ভ্ৰমণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে মিজোৰামত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে চাৰিওবিধ ৰেচম সূতা মুগা, এৰি, তছৰ আৰু নুনি সূতা উৎপাদন হয়। ৰাজ্যখনক মুগা শিল্পৰ ক্ষেত্ৰত শীৰ্ষ স্থানীয় হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত আছে বুলি তেওঁ কয়। ৰেচম সমগ্ৰ আঁচনি দ্বিতীয় পৰ্যায়ৰ অধীনত ৰাজ্যখনলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। চৰকাৰী সূত্ৰ অনুসৰি এই অভিযানৰ অধীনত ২০২১-২২ বৰ্ষৰ পৰা চলিত বৰ্ষ পৰ্যন্ত মিজোৰামলৈ ৫৯ কোটি ৭৪ লাখ টকা আৱণ্টন দিয়া হৈছে। মিজোৰামৰ জলবায়ু ৰেচম উৎপাদনৰ বাবে অনুকূল বুলি উল্লেখ কৰি ৰাজ্যখনত ৰেচম খণ্ডৰ বিকাশ ৫ দশমিক ৫ শতাংশৰ পৰা ছয় শতাংশলৈ বৃদ্ধি পোৱাক লৈ মন্ত্ৰীগৰাকীয়ে সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়, যে ছহেজাৰৰো অধিক মুগা উৎপাদক আৰু ১১ খন জিলাৰ ১৯ হাজাৰৰো অধিক লোক ৰেচম শিল্পৰ সৈতে জড়িত হৈ জীৱিকা অৰ্জন কৰি আহিছে।

০০০০০

মণিপুৰত সুৰক্ষা বাহিনীয়ে যোৱা ২৪ ঘণ্টাত অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ উদ্ধাৰ কৰাৰ লগতে নিষিদ্ধ সংগঠনৰ সৈতে জড়িত দুজন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। আৰক্ষী প্ৰশাসনে প্ৰকাশ কৰা তথ্য অনুসৰি থৌবাল জিলাৰ লৈচাংথেং ইকোপ পাত অঞ্চলত তালাচী অভিযান চলাই সুৰক্ষা বাহিনীয়ে বৃহৎ অস্ত্ৰ ভাণ্ডাৰ উদ্ধাৰ কৰে। উদ্ধাৰ কৰা সামগ্ৰীসমূহৰ ভিতৰত এটা কাৰ্বাইন, গুলী, চাৰিটা ৰাইফল, এটা পিষ্টলকে ধৰি ভালেমান অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে। সুৰক্ষা বাহিনীয়ে কে ৱাই কে এলৰ এজন সদস্যক গ্ৰেপ্তাৰ কৰিছে। তেওঁৰ পৰা এটা মোবাইল ফোন আৰু নথি পত্ৰ জব্দ কৰা হৈছে। ইয়াৰ পূৰ্বে কাচিং জিলাৰ ৱাইকং থানাৰ অধীনৰ চুগুনু পথত চলোৱা এটা অভিযানত কে চি পিৰ এজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰা হয়। তেওঁৰ পৰা এখন বাহন আৰু মোবাইল ফোন জব্দ কৰা হৈছে।

০০০০০

লক্ষ্মীবাই শাৰীৰিক শিক্ষা প্ৰতিষ্ঠানৰ উত্তৰ পূৰ্ব আঞ্চলিক কেন্দ্ৰই ১ জুনৰ পৰা ৩০ জুনলৈ গ্ৰীষ্মকালীন ক্ৰীড়া প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে। সোনাপুৰৰ লক্ষ্মীবাই শাৰীৰিক ক্ৰীড়া প্ৰতিষ্ঠানৰ উত্তৰ পূৰ্ব আঞ্চলিক কেন্দ্ৰৰ টেপেচিয়া স্পোৰ্টছ চৌহদত হবলগীয়া এই শিবিৰত এৰোবিক্স আৰু জুম্বা, বেডমিণ্টন, বাস্কেটবল, ফুটবল, হকী, হেণ্ডবল, জুডো, সাতোৰ, ট্ৰেকেনফিল্ড, টেবুল টেনিছ, ভলীবল আৰু যোগকে ধৰি বিভিন্ন শাখাত পেছাদাৰী প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই কাৰ্যসূচীৰ অধীনত উপযুক্ত প্ৰশিক্ষকৰ জৰিয়তে বিশেষজ্ঞৰ নিৰ্দেশনা অনুযায়ী দক্ষতা বিকাশ, শাৰীৰিক সুস্থতা আৰু ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হব। প্ৰতিদিনে

পুৱা ছয় বজাৰ পৰা আঠ বজালৈ আৰু সন্ধিয়া ৪ বজাৰ পৰা ৬ বজালৈ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ফুটবল, যোগ আৰু বাস্কেটবল আদিৰ প্ৰশিক্ষণৰ বাবদ এহেজাৰ টকা আৰু সাতোৰ বেডমিণ্টনৰ দৰে ক্ৰীড়াসমূহৰ ক্ষেত্ৰত বয়সৰ শ্ৰেণী অনুযায়ী ৩ হাজাৰ টকা পৰ্যন্ত মাছুল আদায় দিব লাগিব। অংশগ্ৰহণৰ বাবে আগ্ৰহীসকলে ২৯ মে'ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ দাখিল কৰিব লাগিব। প্ৰতিষ্ঠানৰ আনুষ্ঠানিক ৱেৱছাইট www.inipeassam.edu.in ৰ যোগে আবেদনপত্ৰ ডাউনলোড কৰিব পৰা যাব বা টেপেচিয়াৰ ক্ৰীড়া চৌহদৰ প্ৰশাসনিক কাৰ্যালয়ৰ  পৰা ব্যক্তিগতভাৱে সংগ্ৰহ কৰিব পৰা যাব।

০০০০০

অসমৰ অনল কাশ্যপে কালি পুণেত অনুষ্ঠিত ৩২ সংখ্যক মাষ্টাৰ্ছ টেবুল টেনিচ প্ৰতিযোগিতাৰ পুৰুষৰ ৪০ ৰ পৰা ৪৫ বছৰ শিতানৰ ছিংগলছত ৰূপৰ পদক অৰ্জন কৰে। অনলে ২০২২ আৰু ২৩ চনত একে শিতানত সোণৰ পদক অৰ্জন কৰিছিল। অসম টেবুল টেনিছ সংস্থাৰ সভাপতি পিয়ুষ হাজৰিকাই এই সাফল্যৰ বাবে খেলুৱৈগৰাকীক অভিনন্দন জনাইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহী কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ